# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি।

২। বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ আজি নলবাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্বাচনী প্ৰচাৰ সভা। যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰিয়ংকা গান্ধীৰ প্ৰচাৰ সম্পন্ন।

৩। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৩ বৰ্ষৰ ফলাফল ঘোষণা। ইউ পি এছ চি পৰীক্ষাত ৭ গৰাকী অসম সন্তানৰ সুখ্যাতি অৰ্জন।

৪। নিৰ্বাচনলৈ দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন জিলাত ড্ৰাই ডে' ঘোষণা।

**আৰু**

৫। আই পি এল প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ্ দেলহি আৰু কেপিটেলছৰ মাজত খেল।

০০০০০০

ৰাজ্যত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগৰ নীতি অনুসৰি আজি বিয়লি ৫ বজালৈকে ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাব পাৰিব। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ৰ লোকসভাৰ নিৰ্বাচনত অহা ১৯ এপ্ৰিলত ৰাজ্যখনৰ ৫টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

ভোটগ্ৰহণলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া জিলাসমূহৰ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা ৰোধ কৰাৰ উপৰি এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত আজি বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰাৰ প্ৰচলন নিষিদ্ধ ঘোষণা কৰা হৈছে। ইফালে, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও জিলাসমূহত যাৱতীয় ব্যৱস্থা লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কৰিমগঞ্জত কাইলৈৰ পৰা প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব। এই শিবিৰ দিনৰ ১০ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মুকলি থাকিব। ০০০০০০

০০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দেশৰ বাকী অংশৰ লগতে অসমতো বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰে তীব্ৰতা লাভ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত ৰোড শ্ব'ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনায়। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

প্ৰধানমন্ত্ৰীয়ে আজি বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীৰ বৰকুৰাত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীৰ জেংৰাইমুখৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তদুপৰি, আমগুৰিৰ জাঁজীতো দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰচাৰ চলায়।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কালি যোৰহাটৰ তিতাবৰত উপস্থিত হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযানত ভাগ লয়।

ইপিনে, গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত তথা বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰে কালি তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাৰ্থীগৰাকীৰ সৈতে কংগ্ৰেছ নেত্ৰী অলকা লাম্বাও উপস্থিত থাকে।

কোকৰাঝাৰ লোকসভা সমষ্টিৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কালি ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেল দলৰ ললিত পেগুৰ লগতে দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থী ৰঞ্জন কুমাৰ ব্ৰহ্ম আৰু পৃথ্বিৰাজ নাৰায়ণ দেৱ মেছে মনোনয়ন দাখিল কৰে। তৃতীয় পৰ্যায়ৰ বাবে ১৯ এপ্ৰিল মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। আনহাতে, ২২ এপ্ৰিল হৈছে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন। এই পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০

জাগীৰোড সমষ্টিৰ পঞ্চায়তে পঞ্চায়তে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত আছে। জাগীৰোড বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ অভিনেত্ৰী আইমী বৰুৱাই কালি নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে গোৱালপাৰাত মন্ত্ৰী ৰঞ্জিত দাসে মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী জাভেদ ইছলামৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

গোলাঘাট জিলাৰ ফৰকাটিং কলেজত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত অসামৰিক আৰু আৰক্ষী জ'নেল তথা ছেক্টৰ বিষয়াসকলৰ মাজত বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত নিৰ্বাচনৰ দিনা কৰিবলগীয়া কামকাজৰ পুংখানুপুংখভাৱে কামৰ বিশ্লেষণ কৰা হয়। ভোটদানৰ দিনা ল'বলগীয়া সাৱধানতাৰ বিষয়ে আৰক্ষী অধীক্ষক ৰাজেন সিং আৰু অসামৰিক বিষয়াসকলৰ মাজত আলোচনা হয়। গোলাঘাট নিৰ্বাচনী কাৰ্যালয়ৰ পৰা প্ৰস্তুত কৰা **প'ল সম্পৰ্ক** নামৰ এক মোবাইল এপৰ প্ৰশিক্ষণো প্ৰদান কৰা হয়। নিৰ্বাচনত বিষয়াসকলৰ সুবিধাৰ্থে এই এপ নিৰ্মাণ হৈছে।

০০০০০০

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ পঞ্চমটো দিন নাঙলৰ বিহু হিচাপে পালন কৰিবলৈ লৈছে। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল নাঙলৰ

বিহু। কাইলৈ জীয়ৰী বা চেনেহী বিহু আৰু পৰহিলৈ চেৰা বিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছে। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হয়। তদুপৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে মঞ্চ বিহু অনুষ্ঠানো উদযাপন কৰা হৈছে। অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে।

কালি লতাশিল খেলপথাৰত গুৱাহাটী বিহু সন্মিলনিৰ ২০২৪ বৰ্ষ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ধেমাজীৰ শিৰোশ্ৰী শইকীয়াই সাতগৰাকী শ্ৰেষ্ঠ বিহুৱতীৰ মাজৰ পৰা শ্ৰেষ্ঠ বিহু সম্ৰাজ্ঞীৰ খিতাপ লাভ কৰিছে। বঁটাত শিৰোশ্ৰী শইকীয়াই সোণ, ৰূপৰ মুকুট, নগদ টকাৰ লগতে আকৰ্ষণীয় পুৰস্কাৰ লাভ কৰিছে। ধেমাজীৰ পাহাৰী বুঢ়াগোহাঁইয়ে লতাশিল বিহুৰাণী ২০২৪ বঁটা লাভ কৰিছে। ইপিনে ডিব্ৰুগড়ৰ ঋতুপৰ্ণা দাসে লতাশিল বিহু কুঁৱৰী বঁটা লাভ কৰিছে। চিৰঞ্জীৱ বৰ্মনে শ্ৰেষ্ঠ ঢুলীয়াৰ বঁটা আৰু যদুমণি গগৈয়ে শ্ৰেষ্ঠ পেঁপুৱাৰ বঁটা লাভ কৰিছে।

০০০০০০

ভগৱান ৰামৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত আজি দেশৰ আন আন প্ৰান্তৰ লগতে অযোধ্যাতো উলহ-মালহেৰে শ্ৰীৰাম জন্মোৎসৱৰ আয়োজন কৰা হৈছে। ৰাম নৱমীৰ বাবে দেশৰ বিভিন্ন স্থানৰ পৰা ভক্তসকল গৈ  ইতিমধ্যে অযোধ্যাত উপস্থিত হৈছে। মাজ নিশাৰ পৰাই অযোধ্যাত অগণন ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। সম্ভাব্য ভিৰৰ প্ৰতি লক্ষ্য ৰাখি অযোধ্যাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অঞ্চলবিশেষে গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰাৰ লগতে মেলা হ'বলগীয়া স্থানত ড্ৰোণ কেমেৰা আৰু চিচিটিভিৰ জৰিয়তে বিশেষ নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ভক্তসকলৰ সুবিধাৰ্থে বিভিন্ন স্থানত অস্থায়ী চিকিৎসা কেন্দ্ৰ তথা খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। অসমৰ বিভিন্ন স্থানতো আজি ৰাম নৱমী উদযাপন কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। ৰাজ্যৰ সাতগৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত সুখ্যাতি অৰ্জন কৰিছে। ইয়াৰ ভিতৰত গুৱাহাটীৰ অভিজ্ঞান হাজৰিকাই ১৭২ সংখ্যক, ৰিকি লহকৰ প্ৰধানে ২৩০ সংখ্যক, তেজপুৰৰ ঈশ্বৰী ডেকাই ৩২০ সংখ্যক, ধুবুৰীৰ ঋতুৰাজ শৰ্মাই ৪৬২ সংখ্যক, নগাঁৱৰ ভাস্বত শইকীয়াই ৫৫২ সংখ্যক গোগামুখৰ কল্লোল হাজৰিকাই ৯৯২ সংখ্যক স্থান আৰু বৰপেটাৰ আজমল হুছেইনে ১০১৩ সংখ্যক স্থান লাভ কৰিছে। প্ৰকাশিত তালিকা অনুসৰি সৰ্বভাৰতীয় পৰ্যায়ত লক্ষ্ণৌৰ আদিত্য শ্ৰীবাস্তৱে প্ৰথম স্থান অধিকাৰ কৰাৰ বিপৰীতে অনিমেষ প্ৰধানে দ্বিতীয় আৰু দ'নুৰু অনন্যা ৰেড্ডীয়ে তৃতীয় স্থান লাভ কৰিছে।

০০০০০০

নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন জিলাত ড্ৰাই ডে' ঘোষণা কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ ড্ৰাই ডে ঘোষণা কৰিছে। ১৯ এপ্ৰিলত হ'বলগীয়া মিজোৰামৰ লোকসভা নিৰ্বাচন ৰ প্ৰতি লক্ষা ৰাখি অসমৰ ৰাজ্যপালে আজি বিয়লি ৪ বজাৰ বৰা কৰিমগঞ্জ জিলাত ১৯ এপ্ৰিললৈ ড্ৰাই ডে ঘোষণা কৰিছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ আৰু অসম আবকাৰী আইন অনুসৰি মিজোৰামৰ সীমান্তৱৰ্তী অসমৰ অঞ্চলসমূহত নিচাজাতীয় দ্ৰব্যৰ পৰিবহণত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইপিনে লখিমপুৰ জিলা প্ৰশাসনেও আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ ড্ৰাই ডে ঘোষণা কৰিছে। চৰাইদেউ জিলাতো আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ বিয়লি ৫ বজা পৰ্যন্ত ড্ৰাই ডে

ঘোষণা কৰা হৈছে। ইপিনে কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত আজি বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুচুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আৱকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

পবিত্ৰ হজ সমাপনৰ উদ্দেশ্যে মক্কালৈ যাবলগীয়া ডিব্ৰুগড়ৰ হজযাত্ৰীসকলৰ বাবে কালি প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। ডিব্ৰুগড় ঈদগাহ প্ৰাংগনৰ কমিউনিটি হলত আয়োজিত এই কাৰ্যসূচীত ৩৬ গৰাকী হজযাত্ৰীক প্ৰশিক্ষণ দিয়া হয়। এইসকলৰ মাজত কুৰিজন পুৰুষ আৰু ১৬ গৰাকী মহিলা হজযাত্ৰী আছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিশ্ব শান্তি তথা সকলোৰে মংগল কামনাৰে দোৱা-প্ৰাৰ্থনা কৰা হয়।

অসম হজ সমিতিৰ অধ্যক্ষ নেকিবুজ জামানৰ উদ্ধৃতিৰে আকাশবাণীৰ  সংবাদদাতাই লগতে জানিবলৈ দিয়া মতে,  এইবেলি অসমৰ পৰা ৪ হাজাৰগৰাকী হজযাত্ৰী মক্কা অভিমুখে ৰাওনা হ'ব।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেত্ৰী নিৰ্মলা সীতাৰমণে কয় যে বিগত তিনিটা বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থনীতি দ্ৰুতগতিত বৃদ্ধি হৈছে আৰু সমাগত বছৰবোৰতো এই বৃদ্ধি অব্যাহত থকাৰ সম্ভাৱনা আছে। জয়পুৰত কালি উদ্যোগপতি আৰু ব্যৱসায়ীসকলৰ সৈতে মত বিনিময়  কৰি শ্ৰীমতী সীতাৰমণে কয় যে অহা ২৫ বছৰ ভাৰতৰ বাবে অতি কঠিন হ'ব। ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতত আঠ শতাংশ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। তেওঁ কয় যে ভাৰতৰ অৰ্থনীতিৰ বিশ্বাসযোগ্যতাৰ বাবেই বিদেশী বিনিয়োগকাৰীকলে ভাৰতত বিনিয়োগ কৰিবলৈ আহিছে।  অৰ্থনৈতিক নীতি, সুস্থিৰ চৰকাৰ, সুস্থিৰ কৰ নীতি, স্বচ্ছ নিবিদা, ক্ৰয় আদিৰ বাবে বিদেশত ভাৰতৰ অৰ্থনীতিৰ অপৰিসীম বিশ্বাসযোগ্যতা আছে। ফলস্বৰূপে বিনিয়োগকাৰীসকলে ভাৰতলৈ বিনিয়োগ কৰিবলৈ আহিছে বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন উত্তেজনাপূৰ্ণ খেলত ৰাজস্থান ৰয়েলছে কলকাতা নাইট ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কলকাতাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেট হেৰুৱাই ২২৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ সুনীল নাৰিনে ৫৬টা বলত ১০৯ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ আবেশ খান আৰু কুলদ্বীপ সিঙে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে জছ্ বাটলাৰৰ অপৰাজিত শতকৰ সহায়েৰে ইনিংছৰ অন্তিমটো বলত বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ৰিয়ান পৰাগে ১৪টা বলত ৩৪ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৰ্ষিত ৰাণা, সুনীল নাৰিন আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে জছ্ বাটলাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ খেলৰ অন্তত ৰাজস্থান ৰয়েলছ্ সম্প্ৰতি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে ৮ পইণ্ট আৰু উন্নত নেট ৰান ৰেটৰ ভিত্তিত কলকাতাৰ দলটো দ্বিতীয় স্থানত আছে।

০০০০০০

ভাৰতৰ মণিকা বাট্ৰা আৰু শ্ৰীজা আকুলাই চীনৰ মাকাউত চলি থকা টেবুল টেনিছ বিশ্বকাপ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ গ্ৰুপ পৰ্যায়ত জয়েৰে অভিযান আৰম্ভ কৰিছে। বিশ্বৰ ৩৭ সংখ্যক স্থানৰ খেলুৱৈ মণিকাই ৰোমানিয়াৰ এডিনা ডিকানৌক ৩-১ ফলাফলত পৰাস্ত কৰাৰ বিপৰীতে শ্ৰীজা আকুলাই পোলেণ্ডৰ নাটালিয়া বাজোৰৰ বিৰুদ্ধে ৪-০ ফলাফলেৰে বিজয় সাব্যস্ত কৰে।

গ্ৰুপ পৰ্যায়ৰ দ্বিতীয়খন খেলত মণিকা আজি বিশ্বৰ দ্বিতীয় স্থানৰ খেলুৱৈ চীনৰ মানয়ু ৱাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে, গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত শ্ৰীজা, চীনৰ চেন মেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত **অসমীয়া প্ৰতিদিন, আমাৰ অসম, আৰু দৈনিক জনমভূমি কাকতে** ভিন ভিন শিৰোনামেৰে ইউ পি এছ চিত ৭ গৰাকী অসম সন্তানে সুখ্যাতি অৰ্জন কৰা বাতৰিটো প্ৰকাশ কৰিছে।

গুৱাহাটীত মোদীৰ বিশাল ৰোড শ্ব'ৰ বাতৰিটো **দৈনিক অসম, নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটোকে **দ্যা চেণ্টিনেল** আৰু **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে নিশাটোতে আলুৰ দাম বৃদ্ধি ৩০ টকালৈ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কোনো কাৰণতে অসমৰ জাতীয় অস্তিত্ব ক্ষতিগ্ৰস্ত হ'বলৈ দিয়া নহ'ব বুলি **অসমীয়া প্ৰতিদিন** কাকতৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত প্ৰকাশ কৰা মন্তব্যক কাকতখনে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি নলবাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসভাৰ লগতে এক্ট ইষ্ট পলিচীৰে পূৰ্বোত্তৰক সৰ্বদিশতে আগুৱাই নিয়াৰ সংকল্পৰে বিজেপি দলৰ নিৰ্বাচনী ইস্তাহাৰ সন্দৰ্ভত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দুটাকৈ সমষ্টিত প্ৰচাৰ চলাই আহি গুৱাহাটী বিমান বন্দৰত প্ৰধানমন্ত্ৰী মোদীক হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনোৱা বাতৰিটোৰ লগতে মুখ্যমন্ত্ৰী হৈ কাম কৰাৰ যি সুযোগ পাইছিলোঁ, কেন্দ্ৰীয় মন্ত্ৰী হিচাপেও পাইছোঁ- কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই মন্তব্য আমাৰ অসম কাকতে প্ৰকাশ কৰিছে। দেইলি হাণ্টৰ ট্ৰাষ্ট অৱ দ্যা নেচন ২০২৪ত দেশৰ ৬৪ শতাংশই পুনৰ প্ৰধানমন্ত্ৰী পদত মোদীকে বিচাৰে বুলি উলিওৱা সমীক্ষাৰ বাতৰিটোৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ মাৰাথন নিৰ্বাচনী প্ৰচাৰত অসমত ৰাজনীতি কৰিবলৈ হ'লে নামাজ পঢ়িলেই নহ'ব, নাম-প্ৰসংগও কৰিব লাগিব বুলি কৰা মন্তব্যক **নিয়মীয়া বাৰ্তা**ই প্ৰকাশ কৰিছে। এই বাতৰিটোকে অসমীয়া খবৰ কাকতে তিতাবৰত প্ৰতিকূল বতৰৰ মাজতো প্ৰিয়ংকা গান্ধীৰ ৰোড শ্ব' কৰা অন্য এটা বাতৰিৰ সৈতে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে অসমৰ চাহ বাগিচাৰ লোকৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে অভূতপূৰ্ব কাম কৰিছে বুলি সোণাৰিত মন্ত্ৰী পীযুষ হাজৰিকাৰ এই মন্তব্য আৰু বিশাল সমদলেৰে গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰে মনোনয়ন দাখিল কৰা বাতৰি গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- পাঁচ সমষ্টিৰ নিৰ্বাচনত ১৯ কোটিপতি প্ৰাৰ্থী, আজি বিয়লি ৫ বজাত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ সমাপ্ত, আজিৰে পৰা ১৯ এপ্ৰিললৈ সুৰা নিসিদ্ধ, ছত্তিশগড় সংঘৰ্ষত শীৰ্ষ নেতা শংকৰ ৰাওসহ ২৯ মাওবাদী নিহত ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত এক চমু অৱলোকন।

০০০০০০

সমাপ্ত